**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 21-02-2026

**Time :** 1800 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন।

২।	ৰাজ্যজুৰি আজি মাতৃভাষা দিৱস পালন।

৩।	সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলা প্ৰশাসনৰ প্ৰস্তুতি আৰম্ভ।

**আৰু**

৪।	এন এছ এছৰ উদ্যোগত মাজুলীত আজিৰে পৰা সাতদিনীয়া বিশেষ শিবিৰ।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিজেপিৰ শাসনকালত বিগত ১০ বছৰত অসমৰ আইন-শৃংখলা পৰিস্থিতি যতেষ্ট উন্নত হৈছে বুলি মন্তব্য কৰিছে। সোণাপুৰৰ কচুতলীত আজি দশম অসম আৰক্ষী বাহিনীৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰি শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি ৰাজ্যখনলৈ বৃহৎ ঔদ্যোগিক গোষ্ঠীসমূহ উভতি আহিছে। কংগ্ৰেছৰ শাসন কালত ৰাজ্যখনৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি শ্ৰীশ্বাহে কয়, যে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে যোৱা ১০ বছৰত অসমৰ বাবে ১৫ লাখ কোটিৰো অধিক ধন আৱণ্টন কৰিছে। আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে দখলকাৰীৰ কবলৰ পৰা উদ্ধাৰ কৰা কচুতলীৰ এই স্থানত আধুনিক প্ৰশিক্ষণ কেন্দ্ৰ, আৱাসিক ছাউনী, চিকিৎসালয়, খেলপথাৰ আৰু অন্যান্য সা-সুবিধাৰে সুসজ্জিত বেটেলিয়ন শিবিৰ সাজি তোলা হ'ব। ইয়াৰ বাকী অংশত চিকিৎসা মহাবিদ্যালয়, চৰকাৰী অনুষ্ঠান আদি স্থাপন কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে দখলকাৰীৰ বিৰুদ্ধে ৰাজ্যজুৰি অভিযান অব্যাহত থাকিব বুলি সদৰী কৰে।

**বাইট (চি এম)**

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত আয়োজিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে কয়, যে দেশে অহা ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লৈছে। তেওঁ লগতে কয় যে চি আৰ পি এফে প্ৰতিষ্ঠা কালৰে পৰা ৰাষ্ট্ৰৰ প্ৰতি অভূতপূৰ্ব সেৱা আগবঢ়াই আহিছে আৰু চি আৰ পি এফ আৰু কোব্ৰা বেটেলিয়নৰ জোৱানসকলে দেশক নক্সালমুক্ত কৰাৰ বাবে চকুত লগা ধৰণৰ কাম কৰি আহিছে। চি আৰ পি এফে উত্তৰ পূৰ্বাঞ্চল, জম্মু-কাশ্মীৰ আৰু মাওবাদ প্ৰভাৱিত এলেকাসমূহত শান্তি বৰ্তাই ৰখাত গুৰুত্বপূৰ্ণ

ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, বাহিনীটো অবিহনে দেশৰ অভ্যন্তৰীণ সুৰক্ষাৰ বিষয়ে কল্পনাই কৰিব নোৱাৰি। শান্তি বৰ্তাই ৰখাত চি আৰ পি এফে পালন কৰি অহা ভূমিকাৰ বিষয়ে উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, বাহিনীটোৰ কেইবাটাও দল হিংসাজৰ্জৰ মণিপুৰত নিয়োগ কৰা হৈছে আৰু ৰাজ্যখনত ইয়াৰ ইতিবাচক প্ৰভাৱ দেখিবলৈ পোৱা গৈছে।

চি আৰ পি এফে প্ৰতিষ্ঠা কালৰে পৰা কৰি অহা ত্যাগৰ বিষয়ে আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে বাহিনীটোৰ ২ হাজাৰ ২৭০ গৰাকী বীৰ জোৱানে দেশভূমিৰ সেৱাত প্ৰাণ উৎসৰ্গা কৰিছে। বাহিনীটোৰ ৭০০ গৰাকী জোৱানে অকল উত্তৰ পূৰ্বাঞ্চলতে প্ৰাণ উৎসৰ্গা কৰা বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে অসাধাৰণ বীৰত্বৰ পৰিচয় দিয়া বাহিনীটোৰ কেইবাগৰাকীও বীৰ জোৱানক সাহসিকতাৰ পদক প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে।

বাক্সা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ভোটে পোৱা বড়ি শাখা সাহিত্য সভাৰ সহযোগত ১২ নম্বৰ ভোটে পোৱা বড়ি প্ৰাথমিক বিদ্যালয়তো আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰা হয়। এই উপলক্ষে স্মৃতি তৰ্পণ, মুকলি সভা আদি অনুষ্ঠিত হয়। সভাত থমনা আঞ্চলিক ডিগ্ৰী কলেজৰ অধ্যক্ষ দীনেশ দাসে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি কয়, যে প্ৰাথমিক পৰ্য্যায়তে মাতৃভাষাৰ বৰ্ণসমূহৰ শুদ্ধ আৰু নিখুঁট উচ্চাৰণ কৰিলেহে পৰৱৰ্তী সময়ত ভাষা শুদ্ধ ৰূপত উপস্থাপন কৰিব পৰা যায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আন্তৰ্জাতিক মাতৃভাষা দিৱস উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাত কয়, যে শিশুক নিজৰ মাতৃভাষাত শিক্ষিত কৰা মানে কেৱল পাঠদান নহয়, বৰঞ্চ ইয়াৰ উদ্দেশ্য হৈছে নিজৰ শিপাৰ সৈতে দৃঢ় সংযোগ গঢ়ি তোলা। মিছিং, কাৰ্বি, তিৱা, দেউৰী আৰু ডিমাছা ভাষাত পাঠদান, মিছিং আৰু অলচিকি লিপিত পাঠ্যপুথি প্ৰস্তুত, বিদ্যালয়ত টাই ভাষাৰ প্ৰৱৰ্তন আৰু জনজাতীয় ভাষালৈ জিকিৰ, জাৰি অনুবাদকে আদি কৰি এইসমূহ পদক্ষেপে ৰাজ্য চৰকাৰ স্থানীয় ভাষাসমূহৰ সংৰক্ষণ আৰু সমৃদ্ধ কৰাৰ ক্ষেত্ৰত সমপূৰ্ণ দায়বদ্ধ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আন এটা বাৰ্তাত কয় যে, মাতৃভাষাই হৈছে আমাৰ পৰিচয়, আত্মসন্মান আৰু সভ্যতা সংস্কৃতিৰ মূল আধাৰ। মাতৃভাষাৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো ভাষাৰ সংৰক্ষণ, বিকাশ আৰু প্ৰচাৰৰ ক্ষেত্ৰত দায়বদ্ধতা প্ৰকাশেৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত প্ৰাথমিক পৰ্য্যায়ত মাতৃভাষাত শিক্ষাদানৰ পোষকতা কৰা হৈছে বুলি উল্লেখ কৰে।

ooooo

সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত প্ৰশাসনে প্ৰস্তুতি আৰম্ভ কৰিছে। বিশ্বনাথ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত আজি গহপুৰ সমজিলাৰ আয়ুক্ত তথা জিলাখনৰ নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ ন'ডেল বিষয়া আদিত্য প্ৰতাপ সিঙৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ সৈতে জড়িত সহকাৰী বিষয়াসকলে অংশগ্ৰহণ কৰে।

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ যোৰহাট ভ্ৰমণৰ পূৰ্বে প্ৰস্তুতি পৰ্যালোচনা আৰু নিৰ্বাচন সংক্ৰান্তীয় বিভিন্ন বিষয় এই বৈঠকত আলোচনা কৰা হয়। বৈঠকত তিতাবৰ আৰু মৰিয়নী সমজিলাৰ আয়ুক্তদ্বয়, অতিৰিক্ত জিলা আয়ুক্তসকল, ৰাজহ চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত আদিকে ধৰি সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

০০০০০

পূব মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা গোট অৰ্থাৎ এন এছ এছৰ উদ্যোগত আজিৰে পৰা শালমৰা অঞ্চলত সাতদিনীয়াকৈ বিশেষ শিবিৰ আৰম্ভ হৈছে। শালমৰা যুৱক বিজয় মিলন সংঘত অনুষ্ঠিত এই শিবিৰ মহাবিদ্যালয়খনৰ অধ্যক্ষ দীপক বৰাই উদ্বোধন কৰে। আজি প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে স্বেচ্ছাসেৱকসকলে বানত ক্ষতিগ্ৰস্ত শালমৰা গাঁৱত দুৰ্যোগৰ আশংকা সন্দৰ্ভত জৰীপ সম্পন্ন কৰে। এই জৰীপৰ জৰিয়তে স্বেচ্ছাসেৱকসকলে বানত ক্ষতিগ্ৰস্ত ৰাইজৰ সমস্যা আৰু প্ৰয়োজনীয়তাৰ তথ্য সংগ্ৰহ কৰে। অহা ছদিনত এই এন এছ এছৰ স্বেচ্ছাসেৱী সকলে অঞ্চলটোত কৰিবলগীয়া স্বাস্থ্য সজাগতা, ছাফাই অভিযান আৰু বিভিন্ন গঠনমূলক কাম-কাজসমূহৰ বিষয়ে গোটটোৰ কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়াই এইদৰে কয়।

**বাইট (উত্তম শইকীয়া)**

০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত ৰাজ্যৰ যশস্বী ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক সংগীত নাটক একাডেমী তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদৰ সৈতে হোৱা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ৰাজ্য চৰকাৰে টাই ভাষাক মাধ্যমিক পাঠক্ৰমত ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। চৰাইদেউ জিলাৰ চেপন তিনিআলিত পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ কাৰ্য্যালয় আৰু অতিথিশালাৰ আধাৰশিলা স্থাপন কৰি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে টাই ভাষা আৰু সাহিত্যৰ সংৰক্ষণ আৰু সমৃদ্ধিৰ ক্ষেত্ৰত পূৰ্বাঞ্চল টাই সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে অনাগত সময়তো অনুষ্ঠানটো অধিক কৰ্মক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ গোৰ্খা উন্নয়ন পৰিষদৰ ২০২৩-২৪ বৰ্ষৰ বিত্তীয় পুঁজিৰে নিৰ্মিত গোৰ্খা সাংস্কৃতিক ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। শোণিতপুৰ জিলাৰ বুঢ়াচাপৰিৰ দুৰ্গা মন্দিৰ প্ৰাংগণত আয়োজিত এটা অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই এই ভৱনটো উদ্বোধন কৰে। এই সাংস্কৃতিক ভৱনে অঞ্চলটোৰ গোৰ্খা সমাজৰ কৃষ্টি সংস্কৃতিৰ চৰ্চা, প্ৰসাৰ আৰু সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooo

সমাপ্ত